# ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী- ১১০০০১
দুৰভাষ নং - ২৩০০৫৭৯০০, ফেক্স- ২৩০০৫৭৮৯

**ৰাষ্ট্ৰীয় উপাধক্ষ্য শ্ৰী মুখতাৰ আব্বাচ নকবীৰ প্ৰেছ বিজ্ঞপ্তি**

নতুন দিল্লী ১৩ ডিচেম্বৰ ২০১৩ ঃ ভাৰতীয় জনতা পাৰ্টিৰ উপাধক্ষ্য তথা কেন্দ্ৰীয় কাৰ্য্যক্ৰম সমন্বয়ৰ দায়িত্বত থকা শ্ৰী মুখতাৰ আব্বাচ নকবীয়ে ক'লে যে লৌকপুৰুষ চৰদাৰ পেটেলৰ পুন্য তিথি ১৫ ডিচেম্বৰৰ দিনা ৰাষ্ট্ৰীয় একতা, গৌৰৱ তথা সু-শাসনৰ সংকল্পৰ সৈতে হ'বলগীয়া 'ৰাণ ফৰ ইউনিটি' কাৰ্য্যক্ৰমনিকাত বিজেপি অংশীদাৰ হ'ব।

শ্ৰীযুত নকবীয়ে ক'লে যে বিজেপিৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী গুজৰাটৰ মুখ্যমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ দ্বাৰা ঘোষিত চৰদাৰ পেটেলৰ বিশ্বৰ সকলোতকৈ ডাঙৰ প্ৰতিমা নিৰ্মানৰ বাবে লোহা সংগ্ৰহ তথা মাটি সংগ্ৰহ কাৰ্য্যক্ৰমৰ শুভাৰম্ভৰ সৈতে সমগ্ৰ দেশৰেই প্ৰায় সকলো স্থানতে 'ৰাণ ফৰ ইউনিটি'ৰ কাৰ্য্যক্ৰম হ'ব য'ত সামাজিক, সাংস্কৃতিক, ধাৰ্মিক, খেল তথা কলাৰ লগত জড়িত সকলো ক্ষেত্ৰৰ ব্যক্তিকে অংশীদাৰ কৰিব। সকলো স্থানতে 'ৰাণ ফৰ ইউনিটি' দৌড় ০২ কিলোমিটাৰ পৰ্য্যন্ত হ'ব।

শ্ৰীনকবীয়ে ক'লে যে বিজেপিৰ সকলো প্ৰমুখ্য ৰাষ্ট্ৰীয় নেতা, মুখ্যমন্ত্ৰী, প্ৰান্তীয় নেতা, জিলা তথা ইয়াৰ তলৰ কাৰ্য্যকৰ্ত্তা, সাংসদ, বিধায়ক, জনপ্ৰতিনিধিয়ে 'ৰাণ ফৰ ইউনিটি' তথা লোহা সংগ্ৰহ, মাটি সংগ্ৰহ কাৰ্য্যক্ৰমত ভাগ ল'ব। সমগ্ৰ দেশৰ প্ৰত্যেক ব্যক্তি তথা গাঁৱক লগত লৈ তেওঁলোকৰ অংশগ্ৰহণৰ সৈতে এই 'ৰাষ্ট্ৰীয় তীৰ্থ'ৰ নিৰ্মাণ হ'ব, যি পদক্ষেপ এক একাত্ম ভাৰতৰ গৌৰৱ তথা প্ৰেৰণাৰ স্থল হিচাপে ৰ'ব।

শ্ৰীযুত নকবীয়ে কৈছে যে গুজৰাটৰ সৰোবৰ বান্ধত লৌহ পুৰুষ চৰদাৰ পেটেলৰ বিশ্বৰ সকলোতকৈ ওখ প্ৰতিমা নিৰ্মাণ হ'ব যি আমেৰিকাৰ 'ষ্টেচু অফ লিবাৰ্ট'তকৈও দুগুন ওখ হ'ব। চৰদাৰ পেটেলে দেশবক ৫৬৫ খন সম্ৰাজ্যক একতাৰ বান্ধোনেৰে বান্ধিছিল সেইবাবে ইয়াৰ নাম 'ষ্টেচু অফ ইউনিটি' দিয়া হৈছে। এইয়া গুজৰাটৰ মুখ্যমন্ত্ৰী তথা ভাবী প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ ড্ৰীম প্ৰজেক্ট। চৰদাৰ পেটেলৰ ব্যক্তিত্বৰ অনুৰূপ ইয়াৰ উচ্চতা ১৮২ মিটাৰ অৰ্থাৎ ৬০০ ফুট অৰ্থাৎ ৬০ মহলৰ সমান, অথচ 'ষ্টেচু অফ লিবাৰ্টিৰ' উচ্চতা মাত্ৰ ৯৩ মিটাৰহে।

শ্ৰীযুত নকবীয়ে ক'লে যে এই মহান পদক্ষেপত দেশৰ সহযোগিতাৰ বাবে শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ ফালৰ পৰা সকলো পঞ্চায়তৰ মুৰব্বীলৈ পত্ৰ পঠোৱা হৈছে। চৰদাৰ বল্লভ ভাই পেটেল ৰাষ্ট্ৰীয় একতা ট্ৰাষ্টৰ তৰফৰ পৰা বিদ্যালয় সমূহত প্ৰবন্ধ, ভাষণ তথা চিত্ৰাঙ্কন প্ৰতিযোগিতা আয়োজন হৈ আছে, জিলা ভিত্তিত লোকগীত প্ৰতিযোগিতাও হ'ব, যিবোৰ চৰদাৰজীৰ জীৱন, ৰাষ্ট্ৰীয় একতা, সুশাসনৰ ওপৰত শ্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰয়াসৰ ওপৰত ভিত্তি কৰি হ'ব।

ইয়াৰ ওপৰিও শ্ৰীযুত নকবীয়ে ক'লে যে এই অভিযানৰ সৈতে জড়িত এক স্বাক্ষৰ জাননীও প্ৰস্তুত হৈছে, নগৰ তথা গাওঁত সকলো লোকেই ইয়াত নিজৰ স্বাক্ষৰ দিব, যাৰ জৰিয়তে দেশৰ কোটি কোটি লোক এই অভিযানৰ সৈতে জড়িত অনুভৱ কৰিব। ১৬ ৰ পৰা ২৬ জানুৱাৰীৰ ভিতৰত আমি প্ৰত্যেক গাঁৱৰ পৰা সমাৰোহ পুৰ্বক ব্যৱস্থাৰ সৈতে গাঁওৰ পবিত্ৰ মাটি, খেতিয়কৰ দ্বাৰা ব্যৱহৃত লোহাৰ টুকুৰা তথা গাঁওৰ মুখীয়াৰ চিত্ৰ লৈ আহিব।

লোহা সংগ্ৰহৰ ৰাষ্ট্ৰীয় ক'ৰডিনেটৰ শ্ৰী ওম প্ৰকাশ ধনকড়ে ক'লে যে প্ৰত্যেক গাঁওলৈ আমাৰ টীম যাব, গীত-সংগীত, ঢোল-নাগাৰাৰে সৈতে সম্পূৰ্ণ গাঁওৰ মহিলা পুৰুষে নিজৰ গাঁওৰ লোহাৰ অংশ তথা মাটি ভাল ভাৱেৰে দি বিদায় দিব। এইবোৰ সামগ্ৰী একত্ৰিত কৰাৰ প্ৰত্যেক গাঁওৰ টীম আমাৰ জিলা কমিটিৰ ওচৰলৈ চৰদাৰ বল্লভ ভাই পেটেল ৰাষ্ট্ৰীয় একতা ট্ৰাষ্টৰ ফালৰ পৰা আহি আছে। সমগ্ৰ গাঁওৰ লোহাৰ অংশ এতিয়া জিলাসমূহৰ কেন্দ্ৰত

একত্ৰিত হ'ব আৰু তেতিয়া গুজৰাটৰ পৰা সুসজ্জিত বাহনে সমাৰোহেৰে সৈতে এই সকলোবোৰ নিবলৈ আহিব যাক আমি হাজাৰৰ সংখ্যাত একত্ৰিত হৈ বিদায় দিম।

শ্ৰীযুত ওম প্ৰকাশ ধনকড়ে ক'লে যে এই অভিযানৰ সকলো কথা জানিবৰ বাবে সকলোৰে ট'ল ফ্ৰী নং ১৮০০২৩৩৩১১০ তথা www.runforunity.com আৰু www.ststueofunity.in ৱেবচাইট আৰম্ভ হৈ গৈছে। শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ ৰাষ্ট্ৰীয় একতাৰ ৰাষ্ট্ৰীয় একতাৰ এই সন্ধান সপোনৰ লগত জড়িত হ'বলৈ প্ৰত্যেক ব্যক্তিয়ে ডায়েল ০৮০০০৯৮০০৯ কৰিব পাৰে।

শ্ৰীযুত নবাবীয়ে ক'লে যে পাৰ্টিৰ জেষ্ঠ নেতা শ্ৰীযুত লালকৃষ্ণ আদবানীয়ে আহমেদাবদ তথা শ্ৰীনৰেন্দ্ৰ মোডীয়ে বৰোদা আৰু শ্ৰীৰাজনাথ সিং, শ্ৰীঅৰুণ জেটলী, ডাº মুৰলী মনোহৰ জোশী, শ্ৰীৰাম লাল জী দিল্লীত থাকিব। শ্ৰীমতী সুযমা স্বৰাজ ভূপাল (মধ্যপ্ৰদেশ)ত, শ্ৰীএম ভেং কয়া নাইডু, শ্ৰীগোপীনাথ সুন্তে মুম্বাইত, শ্ৰীভেংকায়া নাইডু, শ্ৰীগোপীনাথ সুন্তে মুম্বাইত, শ্ৰীনিতিন গাডকাৰী নাগপুৰত থাকিব। শ্ৰীঅনন্ত কুমাৰ বেংলালুৰত, শ্ৰীথাৱৰ চন্দ্ৰ গহলোট ইন্দৰত, শ্ৰীমুসতাৰ আব্বাচ নবাবী আগৰাত, শ্ৰীয়শৱন্ত সিনহা ঔৰংগাবাদত, শ্ৰীৰবিশংকৰ প্ৰসাদ, শ্ৰীসুশীল কুমাৰ মোডী তথা শ্ৰীধৰ্মেন্দ্ৰ প্ৰধান পাটনাত, শ্ৰীঅমিত শ্বাহ হাৰিয়ানাত, শ্ৰীপুৰোযোত্তম ভাই ৰুণালাত (বিহাৰ), শ্ৰীমুৰলীধৰ ৰাও লক্ষ্মৌত, শ্ৰীৰাজীৱ প্ৰতাপ ৰোডী পঞ্জাৱত, শ্ৰীপ্ৰকাশ জাভেদকাৰ হায়দাৰাবাদত, শ্ৰীপিয়ুষ গেৰেল বেংগালুৰুত, শ্ৰীবিনয় কটিয়াৰ কাণপুৰত, শ্ৰীএচ এচ আলুৱালিয়া অসমত, শ্ৰীবলবীৰ .... মেৰঠত, শ্ৰীচন্দত মিত্ৰ উৰিষ্যাত, শ্ৰীভূপেন্দ্ৰ য়াদৱ জয়পুৰত, শ্ৰীমতী নিৰ্মলা চিথাৰমন তামিলনাডুত, শ্ৰীমতী স্মৃতি ইৰানী পশ্চিমবংগত, শ্ৰীমতী মিনাক্ষী লেধী বোৰেলাত, শ্ৰীবলৰাজ মিশ্ৰ নাজিয়াবাদত, কেপ্টেইন অমিমুন্য পন্দীচেৰীত, শ্ৰীশ্যম জাজু আন্দামান নিবোবৰত, শ্ৰীমতী সৰোজ পান্দে ৰায়পুৰত, শ্ৰীঅনুৰাগ ঠাকুৰ জন্মুত, শ্ৰীঔম প্ৰকাশ ধনকড় চণ্ডীগড়ত, শ্ৰীমতী পুনম মহাজন মম্বাইত, শ্ৰীকিৰন ৰিড্ডু, শ্ৰীৰমন ডেকা বানাৰসীত, শ্ৰীকে লক্ষ্মন কৰ্ণাটকত, শ্ৰীহুকুম দেৱ য়াদৱ হাৰিয়ানা, শ্ৰীসিদ্ধাৰ্থ নাথ সিং এলাহবাদত, শ্ৰী শ্ৰীকান্ত শৰ্মা মথুৰাত, শ্ৰীসৰয়ু ৰায় ৰাঞ্চিত, শ্ৰীবিজয় পাল তোমৰ মুৰাদাবাদত থাকিব।

ইয়াৰ ওপৰিও অতিৰিক্ত অন্যজেষ্ঠ নেতা সকলো দেশৰ বেলেগ বেলেগ দুটা ভাগত হ'বলগীয়া কাৰ্য্যক্ৰমত অংশগ্ৰহন কৰিব।

অৰুন কুমাৰ জৈন

কাৰ্য্যলয় সচিব